Daily Assam


২। প্ৰশ্নবোধক বাক্য
৩। ইচ্ছাবাচক বাক্য
৪। আজ্ঞাবাচক বাক্য
৫। সন্দেহবাচক

২৬। প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি — — ১৫৮
উক্তি পৰিৱৰ্তন

২৭। বাচ্য — — ১৬৩
কৰ্তৃবাচ্য, কৰ্মবাচ্য, ভাববাচ্য, কৰ্ম-কৰ্তৃবাচ্য, বাচ্য পৰিৱৰ্তন

২৮। পদান্বয় — — ১৬৮

২৯। সমাস — — ১৭০
সন্ধি আৰু সমাস, ব্যস্তপদ, সমস্তপদ, ব্যাসবাক্য বা সমাস বাক্য, (১) দ্বন্দ্ব সমাস, (ক) ইতৰেতৰ দ্বন্দ্ব, (খ) সমাহাৰ দ্বন্দ্ব, (গ) একশেষ দ্বন্দ্ব; (২) দ্বিগু; (৩) বহুব্ৰীহি, (ক) সমানাধিকৰণ বহুব্ৰীহি (খ) ব্যধিকৰণ বহুব্ৰীহি (গ) ব্যতিহাৰ বহুব্ৰীহি (৪) কৰ্মধাৰয় সমাস, (ক) মধ্যপদলোপী (খ) অন্ত্যপদলোপী কৰ্মধাৰয় (ক) উপমান, (খ) উপমিত, (গ) ৰূপক কৰ্মধাৰয়; (৫) তৎপুৰুষ সমাস, ২য়া তৎ, ৩য়া তৎ, ৪ৰ্থী তৎ, ৫মী তৎ, ৬ষ্ঠী তৎ, ৭মী তৎ, উপপদ তৎপুৰুষ নঞ তৎ, প্ৰাদি তৎ; (৬) অব্যয়ীভাৱ, নিত্য সমাস

৩০। জতুৱা ঠাঁচ — — ১৮৫
(ক) পৃথক অৰ্থ বুজোৱা যৌগিক ধাতু, (খ) বিশেষ্য পদৰ বিশেষ অৰ্থত ব্যৱহাৰ, (গ) ক্ৰিয়া পদৰ বিশেষ অৰ্থত ব্যৱহাৰ, বিশেষ্য পদৰ লগত ক্ৰিয়া পদৰ বিশেষ অৰ্থত ব্যৱহাৰ, বিশেষণ পদৰ বিশেষ অৰ্থত ব্যৱহাৰ, বিভিন্ন শব্দ বা পদ সমষ্টিৰ বিশেষ অৰ্থত ব্যৱহাৰ

৩১। যতি বা বিৰাম চিন — — ১৯১
বিৰামৰ আৱশ্যকতাৰ কাৰণসমূহ, শ্বাসযতি, ভাবযতি, ছন্দযতি, অৰ্থ বা ভাৱযতি আৰু ছন্দযতি সম্বন্ধ, বিভিন্ন যতি-- পূৰ্ণযতি, অৰ্ধযতি, পাদযতি, ভাববোধক, প্ৰশ্নবোধক যতি, যতি ব্যৱহাৰৰ উদাহৰণ

৩২। ছন্দ — — ২০৮
ছন্দৰ স্বৰূপ, ছন্দৰ ক্ৰিয়া, ভাবযতি আৰু ছন্দযতি, মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ, মিত্ৰাক্ষৰৰ বিভাগসমূহ— পয়াৰ ছন্দ, ত্ৰিপদী ছন্দ— দুলৰী, ছবি, লেচাৰি, ঝুমুৰা, ঝুনা বা একাৱলী, হ্ৰস্ব ঝুনা, কুসুম মালা বা দীৰ্ঘ ঝুনা; চৈধ্য শৰীয়া কবিতা, অমিত্ৰাক্ষৰ ছন্দ আৰু মুক্তক ছন্দ, কথা ছন্দ বা স্পন্দিত ছন্দ।

Daily Assam

# ১। ধাতু (Verbal Roots)

১ ঃ ১ ক্রিয়াৰ মূলকে ধাতু বোলে। সি কিতাপ পঢ়িছে, এই বাক্যত 'পঢ়িছে' ক্রিয়া পদ, গঠন কাৰ্যটো সি কৰিছে। এই 'পঢ়িছে' ক্রিয়াটো স্বৰূপ বৰ্তমান কালৰ তৃতীয় পুৰুষৰ। পঢ়িছে ক্রিয়া পদৰ 'ইছে' ক্রিয়া বিভক্তি আঁতৰাই ল'লে (পঢ়্ + ইছে) পঢ়িছে ক্রিয়াৰ মূল 'পঢ়' (to read) অংশটো ওলাই পৰে। গতিকে 'পঢ়িছে' ক্রিয়াৰ 'পঢ়্' ধাতু মাথোন। তেনেকৈ কৰ্ (সং, কৃ), খা, (সং, খাদ্), হাঁহ (সং, হস্) গা (সং, গৈ), কিন্ (সং, ক্রী), আছ (সং, অস্) ইত্যাদি ধাতু।

১ ঃ ২ অসমীয়া ভাষাত বৰ্তমান কালৰ অনুজ্ঞাৰ দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থে ব্যৱহাৰ হোৱা ক্রিয়াৰ আকৃতিয়েই ধাতুৰো আকৃতি। যথা, 'তই ঘৰলৈ যা'। ইয়াত 'যা' দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থে বৰ্তমান কালৰ অনুজ্ঞাৰ ক্রিয়া ৰূপ, ই ধাতুৰো আকৃতি। গতিকে ধাতুটোৰ নাম √ 'যা' ধাতু। এই ধাতুবোৰ বিভক্তি বা প্রত্যয় যোগ হৈ আকৃতিৰ লৰচৰ হয়। যথা, কৰ-ই (অসমাপিকা) কৰি, 'কৰিলোঁ', কৰিম ইত্যাদি।

১ ঃ ৩ অসমীয়া ভাষাত ধাতু প্রধানকৈ দুবিধ ঃ

**(ক) মৌলিক ধাতু (Primary roots)**

**(খ) যৌগিক বা ঔৎপাদিক বা সাধিত ধাতু (Secondary roots)**

**১ ঃ ৪ (ক) মৌলিক ধাতু ঃ** (Primary roots) ঃ

যি ধাতুক বিশ্লেষণ কৰি ভাগ ভাগ কৰিব নোৱাৰি সেইবোৰ ধাতুকেই মৌলিক ধাতু (Primary roots) কোৱা হয়। যেনে— ৰচ্, পূজ্, ঘূৰ্, হাঁহ্, চিন্ত্, গণ্ ইত্যাদি। এই ধাতুবোৰক বিশ্লেষণ কৰি নতুনকৈ ধাতু উলিয়াব নোৱাৰি ; এইবোৰৰ লগত কৃদন্ত প্রত্যয় আৰু ক্রিয়া-বিভক্তি যোগ কৰি ন ন পদৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰ কৰা হয়।

১ ঃ ৫ অসমীয়া ভাষাত অবিকৃত ধাতু অৰ্থাৎ তৎসম ধাতুৰ ব্যৱহাৰ নিচেই কম। ভাষা গাম্ভীৰ্যপূৰ্ণ কৰিবলৈ যাওঁতে অৱশ্যে লিখিত ভাষাত তৎসম ধাতুৰ ব্যৱহাৰ হয়।

সাধাৰণতে ব্যৱহাৰ হোৱা কেইটিমান তৎসম ধাতু— চিন্ত্, ৰচ্, গণ্, পীড়্, পূজ্, লভ্, লিখ্, জ্বল্, গজ্ ইত্যাদি।

১ ঃ ৬ সংস্কৃত ধাতু প্রাকৃত, অপভ্ৰংশ আদি মধ্য ভাৰতীয় আৰ্য ভাষা স্তৰৰ মাজেদি আহোঁতে ধ্বনিগত পৰিৱৰ্তন ঘটে। এইদৰে ধ্বনিগত পৰিৱৰ্তন হৈ অসমীয়াত সোমাই পৰা মৌলিক ধাতুবোৰকে **তদ্ভৱ** ধাতু কোৱা হয়। যেনে, সং √ নৃৎ (নৃ

dance), (সং, নৃত্যতি > প্রা, ণচ্চই > অস, নাচে।) অৰ্থাৎ নাচ ধাতু সং √ প্রচ্ছ (to ask) ধাতু। (সং, পৃচ্ছতি > প্রা, পুচ্ছদি বা পুচ্ছই > অস, পুছে) অৰ্থাৎ পুছ ধাতু। সং, উৎ+স্থ (to rise) (সং, উত্তিষ্ঠতি > প্রা, উট্ঠই, > অস, উঠে) অৰ্থাৎ উঠ্ ধাতু। তেনেকৈ সং, ঘট্, (to shape) > গঢ়, সং, পিষ্ (to grind) < পিহ্ ; সং, চি (to pluck) > ছিঙ ; সং, উৎ + গৃ (to spitout) > উগাৰ্ ধাতু।

১ ঃ ৭ সংস্কৃত বা প্ৰাকৃত ধাতু কিছুমান ধ্বনিগত পৰিৱৰ্তন আৰু কেতিয়াবা অৰ্থৰ পৰিৱৰ্তন হৈ অসমীয়াত অলপ গঢ় সলায়। এনে ধৰণৰ পৰিৱৰ্তিত অসমীয়া ধাতুক ধাতুৰ আদেশ (ধাত্বাদেশ) (Substitute of roots) কোৱা হয়। তলত কেইটিমান উল্লেখ কৰা হ'ল।

| | | | |
|---|---|---|---|
| সং √ শ্রু | অস √ শুন | সং, আ √ গম্ | অস √ আগচ্ |
| √ অস্ | √ আহ্ | আ √ নী | আন্ |
| √ কৃ | √ কৰ্ | আ √ ৱৃ | আৱৰ্ |
| √ কথ্ | √ ক | √ খাদ্ | √ খা |
| √ ক্রী | √ কিন্ | √ ক্রীড়্ | √ খেল্ |
| √ গৈ | √ গা | √ ছিদ্ | √ ছিৰ্ |
| নি √ ঝ | √ নিজৰ্ | √ পঠ্ | √ পঢ়্ |
| √ জ্ঞা | √ জান্ | √ দা | √ দি |
| √ হা | √ হৰ্ | √ পিষ্ | √ পিহ্ |
| √ ধৃ | √ ধৰ্ | √ ভূ | √ ভৰ্ |
| √ পাট্ | √ ফাল্ | √ শিক্ | √ শিক্ |
| ৱি √ লভ্ | √ বিলা | √ শ্রু | √ শুন |
| √ শ্লাঘ্ | √ শলাগ্ | √ স্মৃ | √ সুমৰ্ ইত্যাদি |

১ ঃ ৮ (I) সংস্কৃত ভাষাত পাঁচনী ৰূপ পোৱা কিছুমান ধাতু অসমীয়ালৈ আহোঁতে পাঁচনী অৰ্থ হেৰায় আৰু মৌলিক ধাতুৰূপে ব্যৱহাৰ হয়। এনে ধৰণে সংস্কৃত পাঁচন ধাতুৰপৰা উদ্ভৱ হোৱা ধাতুক আকৌ আ, উৱা লগ কৰি পাঁচনী ৰূপ কৰা হয়। যেনে— মৰ্, সি মৰে (He dies)। মাৰ্, সি মাৰে (He kills) (সং, মাৰয়তি), আকৌ অস, মৰা (মাৰ + আ) সি মৰায় (He causes to kill)। তেনেকৈ, চৰ্ (to graze) চাৰ্ (to look over cows grazing) চৰা (cause to look over cow ; grazing), নো, নোৱা (সং, স্নাপয়তি, দা (সং, দাপয়তি (to reap বা to plough) (সং, বাহয়তি) থ (to place) (সং, স্থাপয়তি) বট্ (to pound) (সং, ৱৰ্তয়তি), পাঁচ, (সং, প্ৰাঞ্চয়তি) ইত্যাদি।

১ ঃ ৮ (II) নাম শব্দৰপৰা গঢ়ি উঠা ধাতু কিছুমান অসমীয়াত মৌলিক ধাতু (Primary roots) ৰূপে ব্যৱহাৰ হয়। যেনে ; পিট্ (যেনে, সি পিটে— পিটিলে)

পিষ্ট শব্দৰপৰা আহিছে, তেনেকৈ বাজ (< বাদ্য), ভাগ (< ভগ্ন), ফল্ (< ফুল্ল)। জৰাঁ (জোৰা) (< জন্ম), ছান্ (to cover), (< ছন্ন), যেনে, আকাশ মেঘে ছানি পেলায়। বখান (< ব্যাখ্যান ইত্যাদি)।

**১ ঃ ৯ যৌগিক বা সাধিত ধাতু** (Secondary or Derivative roots) ঃ মৌলিক ধাতু নাইবা কোনো শব্দৰ পিছত বিভিন্ন অৰ্থত কিছুমান প্ৰত্যয় যোগ কৰি যি নতুন ধাতু সৃষ্টি কৰা হয়, সেইবোৰকে যৌগিক বা সাধিত ধাতু বোলে। ইয়াক আকৌ চাৰি ভাগত ভগাব পাৰি। যথা,

(ক) পাঁচনী ধাতু (Casual roots)

(খ) নাম ধাতু (Denominative roots)

(গ) ধ্বন্যাত্মক ধাতু (Onomatopoetic roots)

(ঘ) মিশ্ৰ ধাতু

**১ ঃ ১০ (ক) পাঁচনী ধাতু** (Casual roots) ঃ আনৰদ্বাৰা কাৰ্য সমাধা কৰা বুজালে সাধাৰণতে ধাতুৰ পিছত আ, ওৱা, উৱা প্ৰত্যয় যোগ কৰা হয়। এনেকৈ ধাতুৰপৰা উদ্ভৱ হোৱা ধাতুবোৰেই পাঁচনী ধাতু। (যথা, কৰ্– সি কৰে), কিন্তু কৰা- সি কৰায় (He causes to do)

খা– (সি খায়) খুৱা (সি খুৱায়)

দি – (সি দিয়ে) দিয়া (সি দিয়ায়)

পঢ়্– (তাই পঢ়ে) পঢ়ুৱা (তাই পঢ়ুৱায়)

গা– (তাই গায়) গোৱা (সি গীত গোৱাইছে)

ফুল্– (ফুল ফুলে) ফুলা (ফুল ফুলায়) ইত্যাদি।

**১ ঃ ১০ (I)** অসমীয়াত ওৱা বা উৱা প্ৰত্যয় আকৃতিত পাঁচনীৰ পাঁচনী (Double causative) ; কিন্তু অৰ্থত তেনে নহ'বও পাৰে। সংস্কৃত পাঁচনী আপ প্ৰত্যয়ৰপৰাই 'আ' আৰু পাঁচনীৰ পাঁচনী অৰ্থত আকৌ আপ্ প্ৰত্যয়ৰ 'আৱ' প্ৰত্যয়ৰ লগত 'আ' যোগ হোৱাত অৱা > ওৱা নাইবা উৱা (ধ্বনিগত পৰিৱৰ্তনৰ ফলত) উদ্ভৱ হৈছে। ইচ্ছানুসৰি পাঁচনী আ, ওৱা বা উৱা প্ৰত্যয়ৰ যি কোনো এটি ব্যৱহাৰ কৰা হয়। যেনে– হাঁহ্-হঁহা (সি তাইক হঁহালে বা হঁহুৱা (সি তাইক হঁহুৱালে) ইত্যাদি।

**১ ঃ ১০ (II)** মৌলিক ধাতুটো অকৰ্মক হ'লেও পাঁচনী ধাতু সকৰ্মক হয়। যথা, পাৰ্ (অকৰ্মক) কিন্তু পৰা (সকৰ্মক) (cause to fall or cause to pluck), বুৰ্ (অকৰ্মক) বুৰা (সকৰ্মক) তেনেকৈ ফুট-ফুটা, চৰ্-চৰা ইত্যাদি।

**১ ঃ ১০ (III)** নাম ধাতুৰপৰাও পাঁচনী ধাতু সৃষ্টি কৰা হয়। যেনে, ফুল্- ফুলা, ফল্-ফলা, জিত্-জিতা, পিট্-পিটা, বাজ্-বজা ইত্যাদি।

**১ ঃ ১১ (খ) নাম ধাতু** (Denominative roots or Nominal roots) ঃ নাম অৰ্থাৎ বিশেষ্য শব্দৰপৰা সৃষ্টি হোৱা ধাতুকেই নাম ধাতু (Denominative or Nominal roots) বোলে।

১ ঃ ১২ বিশেষ্য বা কৃদন্ত শব্দ কেতিয়াবা ধাতুৰূপে ব্যৱহাৰ হৈ নাম-ধাতু সৃষ্টি কৰে। যথা, ফুল (flower) নাম ধাতু ফুল্ (ফুলে, ফুলিল), ফল (fruit) নাম ধাতু ফল্ (ফলে, ফলিল), পিছল, (পিচ্ছল, পিচ্ছিল), নাম ধাতু পিছল, (পিছলে, পিছলিল), পিট্ (পিষ্ট) (to beat) (পিটিলে), বখল্ (< বল্কল) (to peel) (বখলাওঁ, বখলালে), বাদ্যৰ নাম ধাতু বাজ্ (to sound) (বাজে, বাজিলে), জিত্ (জী ধাতুৰ কৃদন্ত জিতৰপৰা উদ্ভৱ) (to be victorious) সিহঁত জিতে, তাই জিতিল (জিকিল), বখান্ (ব্যাখ্যান) (to praise) বখানে, বখানিলে, ভগ্ন > ভাগ, ছন্ন > ছান্ (to cover)।

অসমীয়াত এনে আ প্ৰত্যয়হীন নাম ধাতুবোৰক মৌলিক ধাতু জ্ঞান কৰা হয়।

১ ঃ ১৩ নাম বা সংজ্ঞা শব্দৰ পিছত আ প্ৰত্যয় যোগ কৰি নাম ধাতু কৰা হয়। যথা,

| | |
|---|---|
| কিল | — কিলা |
| চৰ | — চৰা (চৰাম, চৰালে) |
| ছাল (skin) | — ছেলা (to peel) |
| বোল (colour) | — বোল (to paint) |
| পিক (spittle) | — পিকা (to spite) |
| জন্ম (জন্ম > জন্মই) | — জোৱাঁ, জ'ৱাঁ (গুটি জৱাঁলে) |
| কৰ্ম (কৰ্ম্ম, কৰ্ম্মই) | কমা (to shave) |
| উষ্ম | — উমা (hatch, brood on) |
| ক্ষীৰ (milk) | — খীৰা (to milk) |
| গুল্ম | — গোমা (be cloudy) |
| গোত্ৰ (an assembly) | — গোটা (to collect) |
| চিহ্ন (sign) | — চিনা (to recognise) |
| চিক্কণ | — চিকুণা (চিকুণায়, চিকুণালে) |
| বিষ (pain) | — বিষা, বিহা (to pain) |
| কামোৰ | — কামোৰা (to bite) |
| মেৰ (circle) | — মেৰা (to encircle) |
| গল (throat) | — গলতিয়া, গতিয়া |
| শুষ্ক (dry) | — শুকা (শুখা) |

১ ঃ ১৪ ই, ঈ-কাৰান্ত আৰু উ, ঊ-কাৰান্ত শব্দৰ পিছত আ প্ৰত্যয় যোগ কৰিলে যথাক্ৰমে য় আৰু ৱ শ্ৰুতি আগম হয়। যথা,

Daily Assam


| নাম শব্দ | প্ৰত্যয় | নাম ধাতু |
|---|---|---|
| ডাবি | আ | ডবিয়া |
| দলি (লদা) | — | দলিয়া (লদিয়া) |
| গুলী | — | গুলীয়া |
| মাৰি | — | মৰিয়া { পৰৱৰ্তী আ ধ্বনিৰ বাবে |
| লাথি | — | লথিয়া আগত থকা আ ধ্বনি অ |
| ভুকু | — | ভুকুৱা হৈছে। |

১ ঃ ১৫ কিছুমান সংজ্ঞা শব্দৰ পিছত ইয়া প্ৰত্যয় যোগ কৰি নাম ধাতু কৰা হয় যথা,

টাঙন — টঙনিয়া
ৰিং — ৰিঙিয়া
গোৰ, গুৰি — গুৰিয়া

১ ঃ ১৬ মৌলিক আ-কাৰান্ত ধাতুৰ ক্ৰিয়া ৰূপ হোৱাৰ দৰে নাম ধাতুবো বিভিন্ন কাল আৰু পুৰুষত একে ধৰণে ক্ৰিয়া ৰূপ কৰা হয়। কিছুমান বিশিষ্ট নাম শব্দ; বিশিষ্ট কালত নাম ধাতুৰ ক্ৰিয়াৰূপ কৰি বাক্যত ব্যৱহাৰ কৰা দেখা যায়। পুৰণি পদ পুথি বা লিখিত ভাষাত এনে ব্যৱহাৰ বেছি। যথা,

প্ৰকাশ > প্ৰকাশিলা, প্ৰকাশয়
দণ্ড > দণ্ডিলা, দণ্ডিব
মোহ > মোহিলা
আন্ধাৰ > আন্ধাৰি, আন্ধিয়াৰি
বিস্তাৰ > বিস্তাৰিলা
দোষ > দোষিলা, দুষিলা
প্ৰভাত > প্ৰভাতিলা
ৰোধ > ৰোধিলা

১ ঃ ১৭ (গ) **ধ্বন্যাত্মক ধাতু** (Onomatopoetic roots) ঃ

প্ৰাণী, অপ্ৰাণীৰ ভাব-চিত্ৰ বা ধ্বনিৰ অনুকৰণত বিশেষ ধাতু গঢ়ি উঠে, ধাতু গঢ়ি উঠে, সেইবোৰ ধাতুকেই অনুকাৰ বা ধ্বন্যাত্মক ধাতু (Onomatopoetic roots) বোলে। যথা, কেৰ্‌মেৰা, ইয়াত সাপ জাতীয় প্ৰাণীয়ে অকা-পকাকৈ কেৰ্‌মেৰ্ কৰি উঠা ভাব-চিত্ৰ জাগি উঠে, হঠাতে অকা-পকাকৈ উঠা কাৰ্য বুজোৱা ধাতু— কেৰ্‌মেৰ্ যেনে, কেৰ্‌মেৰায়। তেনেকৈ কেল্-মেলা অৰ্থাৎ বিশৃঙ্খলভাৱে কথা পাতি হাই-উৰুমি কৰা। যেনে, সভাত কেল্‌মেলাই নেথাকিবা। কুকুৰে ভুক্‌ভুক্‌কৈ চিঞৰে বাবে ভুকা (ৰাতি কুকুৰে ভুক্‌ভুকালে ভয় লাগি যায়।)

তেনেকৈ গুণ্ গুণা, টক্ টকা, মেৰ্ মেৰা, গিৰ্ গিৰা, চেন্ চেনা, খট্ খটা, খিল্ খিলা, দপ্ দপা, ফোঁপা, চট্ চটা, ধৰ্ ফৰা ইত্যাদি।

১ ঃ ১৮ ধ্বন্যাত্মক ধাতুবোৰত নাম ধাতুৰ আ প্ৰত্যয় সংযোগ কৰা হয়। এই ধাতু সাধাৰণতে তিনিটা আকৃতিত দেখা যায়।

(ক) প্ৰকৃত ধ্বন্যাত্মক ধাতু এক শব্দ ধাতু। যেনে, ফোঁপা, ফেঁকুৰা, ফুকা ইত্যাদি।

(খ) দ্বিৰুক্তিৰে গঢ়ি উঠা হ'লেও একেটি শব্দ হৈ পৰা ধন্যাত্মক ধাতু। যেনে- গোঙা, (গোঁ-গোঁ + আ) বেবা (বে-বে + আ), দদা (দে-দে + আ), কেঁকা (কেঁ-কেঁ + আ)।

(গ) ধাতুটোৰ ঠিক অনুৰূপ ধ্বনিবিশিষ্ট শব্দ বা ধাতুটোকেই পুনৰুক্তি কৰি ঝ্‌ ঝনি ভাব সৃষ্টি কৰিলে ধ্বন্যাত্মক ধাতু বুলি ক'ব পাৰি। যেনে, দল্ দপা, দপ্ দপা, কেল্ মেলা, ফৰ্ ফৰা, ধৰ্ ফৰা ইত্যাদি।

ধ্বন্যাত্মক ধাতুবোৰো প্ৰকৃততে নাম ধাতুৰেই। সাধাৰণ আকাৰান্ত ধাতুৰ সকলো পুৰুষ আৰু কালৰ ক্ৰিয়া ৰূপ হোৱাৰ দৰে এই ধাতুৰো ক্ৰিয়া ৰূপ হয়।

**১ ঃ ১৯ (খ) মিশ্ৰ ধাতু (Compound roots) ঃ** দুটা ধাতু একেলগ হৈ একোটা যৌগিক ধাতু হ'লে নাইবা কোনো সংজ্ঞা বা কৃদন্ত শব্দৰ পিছত কোনো ধাতু বহি সেই সংজ্ঞা বা কৃদন্ত শব্দৰ অৰ্থ স্পষ্ট কৰি তুলিলে নাইবা মৌলিক বা নামধাতুৰ পিছত কোনো প্ৰত্যয় বহি অৰ্থ স্পষ্ট বা বিশেষ কৰি বুজালে, সাধাৰণতে মিশ্ৰ ধাতু বোলা হয়। অৰ্থাৎ মিশ্ৰ ধাতু হৈছে—

(১) ধাতু আৰু ধাতু একে লগ হোৱা যৌগিক ধাতু।

(২) সংজ্ঞা বা কৃদন্ত শব্দৰ পিছত ধাতু বহি হোৱা যৌগিক ধাতু।

(৩) মৌলিক বা নাম ধাতুৰ পিছত কোনো প্ৰত্যয় বহি অৰ্থ বিশেষ কৰি বুজোৱা যৌগিক ধাতু।

১ ঃ ২০ অবিকৃত দুটা ধাতু যৌগিক ধাতুৰূপে অসমীয়াত ব্যৱহাৰ নহয়। কিন্তু দুটা ধাতুৰ প্ৰধান ধাতুটোত অসমাপিকা ক্ৰিয়াৰ 'ই' যোগ হৈ পৰৱৰ্তী ধাতুটো সহায়কাৰী বা লগৰীয়া হিচাপে ক্ৰিয়াৰূপ হৈ ব্যৱহাৰ হোৱা দেখা যায়। এনে মিশ্ৰ ধাতুৱে প্ৰথম ধাতুটোৰ অৰ্থ প্ৰধান আৰু স্পষ্ট কৰি তোলে। যেনে,

(১) খাই পেলা বা খাই দে। ইয়াত খা ধাতু প্ৰধান ধাতু, অসমাপিকা 'ই' যোগ হৈ 'খাই' উদ্ভৱ হৈছে। খাই পদৰ পিছত পেলা বা দে (দিয়া) ক্ৰিয়া যোগ হৈ আগৰ খাই পদটো স্পষ্ট কৰি তুলিছে। তেনেকৈ, কৈ পেলা, দেখাই দে, পেলাই দে, লৈ যা, খাই উঠ্, বহি থাক্, চিঞৰি উঠ্, উঠি যা, ৰাখি থ, লৰি যা, সঁপি দে, গঢ়ি তোল, কৰি পেলা, লিখি থ, গোৰ মাৰ ইত্যাদি।

(১) কেতিয়াবা প্ৰধান ধাতুটোত অৰ্থাৎ প্ৰথম ধাতুটোত ইব বা ইবলৈ তুমৰ্থ ব্যৱহাৰ কৰি মিশ্ৰ ধাতু গঠন কৰা হয়। যেনে, খা ধাতুৰ তুমৰ্থ 'খাব', খাবলৈ। ইয়াৰ পিছত আৰম্ভ অৰ্থ প্ৰকাশ কৰিবলৈ ধৰ্ বা লাগ্ সহায়কাৰী ধাতু যোগ কৰিলে 'খাব ধৰ্', 'খাবলৈ ধৰ্' বা 'খাব লাগ' মিশ্ৰ ধাতু হৈ পৰে। এইদৰে পঢ়িব ধৰ্, হাঁহিব ধৰ, কান্দিবলৈ ধৰ্ বা কান্দিব ধৰ্ ইত্যাদি। ধৰ বা লাগ্ সহায়কাৰী ধাতুৰ যোগত গঢ়ি উঠা মিশ্ৰ ধাতুৱে আৰম্ভ হোৱা অৰ্থ প্ৰকাশ কৰে।

Daily Assam



সহায়কাৰী ধাতুটো √ 'দি' হ'লে অনুমতি বুজায়। যেনে, ক'ব দিয়া, ক'বলৈ দে, যাব দিলে, যাবলৈ দে, পঢ়িব দিয়া, পঢ়িবলৈ দে, খাব দিম, খাবলৈ দে ইত্যাদি।

(৩) কেতিয়াবা প্ৰধান ধাতুটোত আ প্ৰত্যয় যোগ কৰি মিশ্ৰ ধাতু গঠন কৰা হয়। যেনে, পঢ়া কৰ্, ধৰা পৰ্, মৰা পৰ্, দেখা কৰ্, দেখা হ, লিখা কৰ্ ইত্যাদি। আকৌ একাধিক প্ৰধান ধাতু কৃদন্ত শব্দ হৈ অৰ্থাৎ আ যোগ হৈ আন এটি সহায়কাৰী ধাতু লৈ মিশ্ৰ ধাতু গঠিত ; যথা, দেখা-শুনা কৰ্, ৰন্ধা-বঢ়া কৰ্, লিখা-পঢ়া কৰ্, খোৱা-বোৱা কৰ্ ইত্যাদি।

**১ ঃ ২১** জটিল আৰু উচ্চাৰণ কঠিন ধাতুৰ ক্ৰিয়াৰূপে কৰা প্ৰয়াস ত্যাগ কৰিবৰ বাবে সংজ্ঞা আদি শব্দৰ পিছত সাধাৰণতে ব্যৱহাৰ হোৱা কৰ্, ধৰ্, হ, দি আদি ধাতু যোগ কৰি নকৈ সৃষ্টি কৰা ধাতুকো মিশ্ৰ ধাতু (compound roots) বোলে।

প্ৰাচীন সংস্কৃত ভাষাত ভস্মী-কৃ, ভস্মী-ভূ, চমৎ-কৃ, বিষয়ী-ভূ আদি মিশ্ৰ ধাতু ব্যৱহাৰ হোৱাৰ দৰে অসমীয়াতো নিম্নলিখিত মিশ্ৰ ধাতু ব্যৱহাৰ কৰা হয়। যথা,

কাষৰ-হ, মোৰ-ভাং, মজা-দি, মূৰ দোঁৰা ইত্যাদি।

এইদৰে সংজ্ঞা বা বিশেষণ শব্দৰ লগত ধাতু সংযোগ হৈ অৰ্থ স্পষ্ট বা জোৰকৈ বুজাবলৈ ব্যৱহাৰ কৰা মিশ্ৰ ধাতুবোৰকেই নাম প্ৰধান মিশ্ৰ ধাতু বা নাম মাত্ৰ মিশ্ৰ ধাতু (Nominal compound roots) বোলে। নাম বা সংজ্ঞা শব্দটোৰ অৰ্থই প্ৰধান হয়, ধাতুটো কেৱল সহায়কাৰী হিচাপে বিভক্তি প্ৰত্যয় যোগেদি ক্ৰিয়াৰূপ হৈ ব্যৱহাৰ হয়। ইহঁতক প্ৰকৃততে জতুৱা ঠাঁচ বা বাক্যাংশ বোলা হয়।

এনে নাম প্ৰধান মিশ্ৰ ধাতুৰ অসমীয়াত যথেষ্ট ব্যৱহাৰ আছে। যথা— মন লাগ্, মন কৰ্, মন পা, মন বান্ধ্, মন মাৰ্, মন ভাঙ্, গা উঠ্, গা ৰ, গা সাৰ্, গা হ, চেঁচা পৰ্, চেঁচা হ, ইত্যাদি।

**১ ঃ ২২** কোনো মৌলিক বা নাম ধাতুৰ অৰ্থ স্পষ্ট কৰিবলৈ নাইবা চলি থকা বা পুনঃ পুনঃ অৰ্থ বুজাবলৈ ধাতুৰ পিছত— ক, – চ, – ট, – ৰ, – ল, আদি প্ৰত্যয় যোগ কৰি মিশ্ৰ ধাতু গঠন কৰা হয়। যেনে,

(ক) – ক প্ৰত্যয় যোগত—

খলক্, পিটিক্, পোটক, সেমেক্, আটক্,
ফিচিক্, হোঁহক্, থমক্, সোলক্ ইত্যাদি।

(খ) – চ প্ৰত্যয় যোগত –

খামোচ্, থেকেচ্, ৰেচ্, মলচ্, ইত্যাদি।

(গ) – ট প্ৰত্যয় যোগত—

ঘোকট্, চিকুট্, নেওঠ্ ইত্যাদি।

(ঘ) – ৰ (< ড়) প্ৰত্যয় যোগত –

খোচৰ্, গোঁজৰ্, চাপৰ্, মোহাৰ্, চোঁচৰ্, জামৰ্, বাগৰ্ ইত্যাদি।

Daily Assam



(ঙ) – ল প্ৰত্যয় যোগত–

ওন্দোল্ (অন্ধ + ল), টহল্, ধকাল্, মোকলা ইত্যাদি।

## অনুশীলনী

১। ধাতু কাক বোলে? ই কেইবিধ? প্ৰত্যেকবিধৰ অন্ততঃ দুটিকৈ উদাহৰণ দিয়া।

২। যৌগিক ধাতু বুলিলে কি বুজা? প্ৰত্যেকবিধৰ উদাহৰণ দি বুজাই দিয়া।

৩। মৌলিক ধাতু বুলিলে কি বুজা? অসমীয়াত ব্যৱহাৰ হোৱা মৌলিক ধাতু সম্বন্ধে কি জানা লিখা।

৪। পাঁচনী ধাতু বুলিলে কি বুজা? কেনেকৈ পাঁচনী ধাতু সিদ্ধ হয় লিখা।

৫। নাম ধাতু বুলিলে কি বুজা? কেনেকৈ নাম ধাতু গঢ়ি উঠে আলোচনা কৰা।

৬। ধ্বন্যাত্মক ধাতু নাম ধাতু নে আলোচনা কৰা।

৭। মিশ্ৰ ধাতু কি? কি কি উপায়ে মিশ্ৰ ধাতু গঢ়ি উঠে আলোচনা কৰা।